بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## যুক্তৰাজ্য ২০২৫ চনৰ বাৰ্ষিক জলছা উপলক্ষে স্বেচ্ছাসেৱক আৰু অতিথিসকললৈ গুৰুত্বপূৰ্ণ উপদেশ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৫ জুলাই ২০২৫ চনত হাদিকাতুল মেহেদী ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আজি আবেলিৰ পৰা ইনশা আল্লাহ যুক্তৰাজ্যৰ বাৰ্ষিক জলছাৰ কাৰ্যসূচী নিয়মিতভাৱে আৰম্ভ হ'ব। এই জলছা উপলক্ষে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ইয়াৰ গুৰুত্ব বহুত বেছি। ইয়াত জামাতৰ শৈক্ষিক, নৈতিক আৰু আধ্যাত্মিক অৱস্থাৰ উন্নতিৰ বাবে কাৰ্যসূচী সন্নিবিষ্ট আছে। আল্লাহ তা'লাই ইয়াতে অংশগ্ৰহণ কৰা সকলোকে পৰিপূৰ্ণভাৱে উপকৃত হোৱাৰ সৌভাগ্য দান কৰক। এতিয়া মই জলছাত ডিউটি দিবলগীয়া আৰু অংশ গ্ৰহণ কৰা সকলৰ বাবে কিছু কথা বৰ্ণনা কৰিম।

ইছলাম অতিথিসকলৰ সন্মান আৰু শ্ৰোদ্ধা কৰাৰ প্ৰতি বৰ মনোযোগ আকৰ্ষণ কৰে। আঁহজৰত (ছাঃ)য়েও ইয়াৰ প্ৰতি বৰ গুৰুত্ব আৰোপ কৰিছে। তেখেত (ছাঃ)য়ে কৈছে যে অতিথিসকলক তেওঁলোকৰ প্ৰাপ্য অধিকাৰ প্ৰদান কৰা। অতিথিসকলৰ এই প্ৰাপ্য অধিকাৰ কেৱল কেইবাদিনৰ বাবে। তেখেত (ছাঃ)ৰ এই উপদেশৰ প্ৰভাৱ যে চাহাবা সকলে নিজৰ পত্নী আৰু সন্তানৰ অধিকাৰ অতিথি সকলক দিছিল। গতিকে বৰ্তমান হজৰত মছীহ মাওউদ (আঃ)ৰ যিসকল অতিথি জলছা শুনাৰ বাবে আহি আছে তেওঁলোকক সকলো ফালৰ পৰা সেৱা আগবঢ়োৱা কৰ্মকৰ্তা আৰু প্ৰতিজন ডিউটি দিয়া সকলৰ তথা প্ৰতিজন বিষয়াৰ কৰ্তব্য, তেওঁলোকে যিকোনো বিভাগতেই কাম নকৰক কিয়; এই দিনবোৰত বিশেষকৈ

পৰিশ্ৰম, ধৈৰ্য আৰু দোৱাৰ সৈতে কাম সম্পাদন কৰিব। অতিথি সকলৰ পৰা যদিও কেতিয়াবা কঠোৰ কথা শুনে তথাপি উচ্চ নৈতিকতা দেখুৱাব, আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰাৰ বাবে সেয়া আওকাণ কৰিব। ইয়াতে বিভিন্ন বিভাগ আছে। মই যোৱা খোতবাতো সংক্ষিপ্তভাৱে বৰ্ণনা কৰিছিলোঁ। সকলো বিভাগৰ বিষয়াসকল আৰু তেওঁলোকৰ সহায়কসকলে নিজৰ দায়িত্ব ভাল আচৰণ তথা হাস্যমুখেৰে পালন কৰিব।

হজৰত মছীহ মাওউদ (আঃ)ৰ এই সন্দৰ্ভত অসংখ্য ঘটনাৱলী আছে। তেখেত (আঃ)য়ে বিশেষকৈ এই পথ-প্ৰদৰ্শন কৰিছিল যে অতিথিসকলৰ সৈতে ভাল আচৰণ কেনেকৈ কৰিব ? তেখেত (আঃ)ৰ নিৰ্দেশাৱলী আৰু ঘটনাৱলী তেখেত (আঃ)ৰ জীৱনীৰ পুস্তকসমূহত বিভিন্ন ধৰণে বিভিন্ন ঠাইত বৰ্ণনা কৰা হৈছে। অসমৰ পৰা অহা অতিথি সকলৰ আতিথ্যৰ এটা প্ৰসিদ্ধ ঘটনা আছে যে তেখেত (আঃ)য়ে কিদৰে তেওঁলোকৰ আতিথ্য কৰিছিল। এই ঘটনা আমি শুনি থাকো যে তেখেত (আঃ)য়ে কেনেদৰে তেওঁলোকৰ যত্ন লৈছিল তাক লৈ আমি সুখী। কিন্তু এই সকলোবিলাক কৰ্মকৰ্তা, ডিউটি দিয়া সকল আৰু সেই সকলো লোকসকলৰ বাবে এটা শিক্ষা যিসকলে হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি সকলৰ সেৱা কৰাৰ বাবে নিজকে উত্থাপন কৰে।

এইদৰে আতিথ্যৰ আৰু এটা উদাহৰণ যে হজৰত মুফতি মহম্মদ ছাদিক (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এবাৰ মই লাহোৰৰ পৰা কাদিয়ান আহিছিলো। তেখেত (আঃ)য়ে নিজেই মোৰ বাবে খাদ্য লৈ আহে, মোক দেখি কয় যে আপুনি খাওঁক, মই পানী লৈ আহো। কয় যে সেই সময়ত মোৰ চকুৰ পৰা চকুলো বৈ আহিছিল, হজৰত মছীহ মাওউদ (আঃ) আমাৰ ধাৰ্মিক পথ প্ৰদৰ্শক হোৱা সত্ত্বেও আমাক সেৱা কৰি আছে, তেন্তে আমি ইজনে সিজনৰ কিমান সেৱা কৰা উচিত ? হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এইটো এটা নমুনা আছিল, হজৰত মছীহ মাওউদ (আঃ)ৰ জীৱনীত আমি আতিথ্যৰ এনেকুৱা বহু ঘটনাৱলী পাওঁ।

তেখেত (আঃ)য়ে এবাৰ লোকসকলক কৈছিল যে মই সদায় এয়া ভাৱো যে কোনো অতিথিয়ে যেন কষ্ট নাপায়; বৰঞ্চ ইয়াৰ বাবে সদায় মনোযোগ আকৰ্ষণ কৰো যে যিমান পাৰে অতিথিসকলৰ বাবে আৰামৰ ব্যৱস্থা কৰিব। অতিথিসকলৰ হৃদয় দাপোনৰ নিচিনা দুৰ্বল থাকে যি অলপ সংঘৰ্ষৰ ফলত ভাঙি যায়। গতিকে তোমালোকে সেয়া সুৰক্ষা কৰিবলৈ চেষ্টা কৰিবা। গতিকে এইটো হৈছে সেই আদৰ্শ আৰু উপদেশ যিবোৰ হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ প্ৰিয়জনৰ অনুসৰণ কৰি অতিথি সকলৰ আতিথ্য কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিছে। এবাৰ তেখেত (আঃ)য়ে লঙ্গৰখানাৰ ইনচাৰ্জ চাহাবক কৈছিল যে চাওঁক, বহু অতিথি আহিছে, ইয়াৰ মাজৰ কিছুমানক তুমি চিনি পোৱা আৰু কিছুমানক চিনি নোপোৱা, গতিকে সকলোৰে প্ৰতি সন্মান প্ৰদৰ্শন কৰি খোৱা-লোৱাৰ ব্যৱস্থা কৰিবা। গতিকে স্বেচ্ছাসেৱকে সদায় চেষ্টা কৰা উচিত যে যি ঠাইত আৰু যি বিভাগত তেওঁক ডিউটিত নিয়োজিত কৰা হৈছে তাতে তেওঁ অতিথি সকলৰ আতিথ্যৰ অধিকাৰ আদায় কৰাৰ পৰিপূৰ্ণভাৱে চেষ্টা কৰিব।

বিভিন্ন বিভাগসমূহ আছে, টিকট তৈয়াৰ কৰাৰ পৰা লৈ জলছাগাহলৈকে বিভাগ আছে। সেই কৰ্মকৰ্তা সকলৰ সৈতে অতিথি সকলৰ সম্পৰ্ক সৃষ্টি হয়, তাতে সকলো স্বেচ্ছাসেৱক সকলে ভাল আচৰণ আৰু উচ্চ নৈতিকতা প্ৰদৰ্শন কৰা উচিত। খাদ্য তৈয়াৰ কৰা আৰু খাদ্যৰ যোগান ধৰাৰ বিভাগ

সমূহ আছে। সেই বিভাগ সমূহেও অতিথি সকলৰ অধিকাৰ আদায় কৰা উচিত। কিয়নো এইটো হৈছে আতিথ্য কৰাৰ গুৰুত্বপূৰ্ণ বিভাগ। এইটো চেষ্টা হোৱা উচিত যে অতিথি সকলক পেট ভৰাই সন্মানৰ সৈতে আহাৰৰ যোগান ধৰা। লঙ্গৰ খানাত কাম কৰা সকলে ভাল খাদ্য তৈয়াৰ কৰাৰ চেষ্টা কৰা উচিত, এই কথাটো নিশ্চিত কৰা জৰুৰী যে প্ৰয়োজন অনুসৰি খাদ্য তৈয়াৰ কৰা উচিত যাতে কম নহয়। পৰিষ্কাৰ পৰিচ্ছন্নতাৰ বিভাগে গুৰুত্ব দিয়া উচিত, কাৰণ পৰিষ্কাৰ পৰিছন্নতা ঈমানৰ এটা অংশ। কিছুমান লোক সকলে সঠিকভাৱে বুজি নাপায় আৰু ভালদৰে জলছা নুশুনে। অনুশাসনৰ দায়িত্বত থকা লোকসকলৰ উচিত যে মহিলা আৰু পুৰুষসকলক মৰম চেনেহৰে বুজাব। সকলো ঠাইতে ইয়াৰ প্ৰতি গুৰুত্ব দিয়া উচিত যে স্বেচ্ছাসেৱক সকলে এই দিনবোৰত নিজৰ নৈতিকতাৰ প্ৰতি বিশেষ গুৰুত্ব দি নিজৰ আদৰ্শ স্থাপন কৰিব আৰু হজৰত মছীহ মাওউদ (আঃ)য়ে যি প্ৰত্যাশা কৰিছে সেয়া পৰিপূৰ্ণভাৱে পালন কৰাৰ বাবে চেষ্টা কৰিব।

এইদৰে মই কিছু কথা অতিথি সকলকো ক'ব বিচাৰো। কিছুমান অআহমদী অতিথি সকলকো ইয়ালৈ আহে, সেই সৰহ সংখ্যকৰ বাহিৰে বাকী আহমদী লোক হয়। আপোনালোকে ইয়াত জলছা শুনিবলৈ আহিছে, সেই কাৰণে এই কথাৰ প্ৰতি ইমান গুৰুত্ব নিদিব যে ব্যৱস্থাপনা সঠিক হোৱা নাই। আতিথ্য ভালদৰে কৰা নাই বা কিছুমান কৰ্মকৰ্তাই কেনেকুৱা আচৰণ কৰিছে। মূল উদ্দেশ্য হৈছে আধ্যাত্মিক উন্নতি লাভ কৰা, সেয়ে ইয়াৰ বাবে চেষ্টা কৰা উচিত। কিন্তু আতিথ্য সকলে অতিথি সকলৰ অধিকাৰ পালন কৰা উচিত আৰু তেওঁলোকে চেষ্টাও কৰে। এইদৰে অংশ গ্ৰহণ কৰা সকলৰ কৰ্তব্য যে যদি সেৱক সকলৰ মাজত কোনো দুৰ্বলতা বা ত্ৰুটি দেখা পায় তেন্তে সেয়া আওকাণ কৰিব। যেতিয়া এনেকুৱা কৰিব তেতিয়া আপোনালোকে সেই উদ্দেশ্যত সফল হ'ব পাৰিব যি উদ্দেশ্যৰ বাবে ইয়াত একত্ৰিত হৈছে; ইয়াৰ ফলত পৰস্পৰৰ মাজত সম্পৰ্ক প্ৰগাঢ় হয়। সকলো অতিথিয়ে এইটো লক্ষ্য কৰা উচিত যে তেওঁলোকে ইয়ালৈ অহাৰ উদ্দেশ্য কি ? সেই উদ্দেশ্য হৈছে উত্তম নৈতিকতা, এইটো আল্লাহ তা'লাক স্মৰণ কৰাৰ ফলতহে পৰিপূৰ্ণ হ'ব পাৰিব।

খোৱাৰ পাণ্ডালত অতিথিসকলে সদায় সংস্থানৰ কদৰ কৰা উচিত। অতিথিসকলৰ উচিত যে বাৰ্ষিক জলছাৰ দিনবোৰত খাদ্য বৰকত বুলি ভাৰি খাব; সদায় এই কথাৰ প্ৰতি লক্ষ্য ৰাখিব যে আমি সংস্থান নষ্ট হোৱাৰ পৰা ৰক্ষা কৰিম, এনেকুৱা কৰিলে কাম কৰা সকলৰ বাবেও সহজ হৈ পৰিব। সদায় মনত ৰাখিব যে জলছাৰ উদ্দেশ্য পূৰণ কৰিব আৰু এই কল্যাণৰ পৰা কল্যাণমণ্ডিত হৈ নিজৰ জীৱন ধন্য কৰাৰ চেষ্টা কৰিব; যি উদ্দেশ্যৰ বাবে হজৰত মছীহ মাওউদ (আঃ)য়ে এই জলছাৰ ভেঁটি স্থাপন কৰিছিল। যিদৰে তেখেত (আঃ)য়ে কৈছে যে যি কাম কৰিব সেয়া আল্লাহ তা'লাৰ স্বাৰ্থত কৰিব আৰু যি কথা কোৱা সেয়া খোদাৰ স্বাৰ্থত কোৱা; সকলোৱেই এই নীতিটো সন্মুখত ৰখা উচিত। এই সন্দৰ্ভত মনত ৰখা উচিত যে আমি আল্লাহৰ স্মৰণত দিন অতিবাহিত কৰা উচিত। জলছা শুনা অৱস্থাতো আল্লাহক স্মৰণ কৰি থাকিব, ফুৰা অৱস্থাত, কাৰো সৈতে সাক্ষাৎ কৰা অৱস্থাত, লোকসকলৰ সৈতে আলোচনা কৰা সময়ত বিশুদ্ধতাৰ সৈতে আল্লাহৰ স্মৰণ কৰি থাকিব। যেতিয়া আল্লাহ তা'লাক স্মৰণ কৰি থাকিব তেতিয়া এনেকুৱা পৰিৱেশ সৃষ্টি হ'ব যি উদ্দেশ্যৰে জলছা অনুষ্ঠিত কৰা হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে মনোযোগ আকৰ্ষণ কৰিছে যে হজৰত মছীহ মাওউদ (আঃ)য়ে এই

সন্দৰ্ভত অতিশয় উদ্বেগ প্ৰকাশ কৰিছে যে যদি তোমালোকে জলছা গুৰুত্বসহকাৰে নুশুনা তেন্তে তোমালোকে জলছাত অহাৰ কোনো লাভ নাই। এই কথা বিশেষকৈ আমি মনত ৰখা উচিত যে আমাৰ উদ্দেশ্য হৈছে আমাৰ সংস্কাৰ, ধাৰ্মিক জ্ঞান বৃদ্ধি কৰা, নিজৰ আধ্যাত্মিক অৱস্থাক উন্নীত কৰা, সেই কাৰণে আমি পৰিপূৰ্ণভাৱে চেষ্টা কৰা উচিত। নৈতিকতাৰ ক্ষেত্ৰত আমাৰ অৱস্থা উন্নত কৰিব লাগিব। নিজৰ বন্ধু-বান্ধৱ আৰু ভাতৃৰ বাবে জীৱন আহুতি দিয়াৰ উৎসাহ সৃষ্টি কৰিব লাগিব। হৃদয়ৰ শত্ৰুতা আঁতৰ কৰিব লাগিব, এইটো হৈছে বহু ডাঙৰ উদ্দেশ্য। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াতে যি পৰিৱেশ সৃষ্টি হৈছে আৰু হাজাৰ হাজাৰ লোক একগোট হৈছে এই পৰিৱেশটোও এনেকুৱা যে যেতিয়া আমি পৰস্পৰে পৰস্পৰৰ উপকাৰ তথা ভাতৃত্ববন্ধনমূলক আচৰণ কৰিম, তেতিয়া এনেকুৱা অৱস্থা আৰু পৰিৱেশ গঢ়ি উঠিব য'ত ভালপোৱা, প্ৰেম আৰু ভাতৃত্ববন্ধনৰ বাতাবৰণ সৃষ্টি হ'ব যিটো হৈছে ইছলামৰ বিশেষ শিক্ষা। ইয়াৰ ওপৰত পৰিচালিত হৈ মানুহে আল্লাহ তা'লাৰ নৈকট্য লাভ কৰি সেইজনাৰ কৰুণা অৰ্জনকাৰী হ'ব পাৰিব। গতিকে এইফালে স্বেচ্ছাসেৱক আৰু অতিথি উভয়ে গুৰুত্ব দিয়া উচিত। আমাৰ চৰিত্ৰ সদায় উচ্চ হোৱা উচিত তথা প্ৰতিটো বেয়াৰ পৰা ৰক্ষা পোৱাৰ বাবে সদায় দোৱা কৰি থকা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে জলছা সন্দৰ্ভত প্ৰতিৱেশৰ প্ৰতি লক্ষ্য ৰখা, আলি-বাটৰ নীতি সমূহৰ প্ৰতি লক্ষ্য ৰখা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, শিশু থকা মহিলাৰ প্ৰতি লক্ষ্য ৰখা, এইদৰে পাৰ্কিং তথা গেট, ইয়াৰ বাহিৰেও বিভিন্ন কাম সন্দৰ্ভত উপদেশ দিয়ে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আল্লাহ কৰক আপোনালোক সকলোৱে এই জলছাৰ পৰা যেন উপকৃত হয়, ইয়াৰ কল্যাণৰ পৰা যেন লাভবান হ'ব পাৰে, ইয়াৰ পৰা যেতিয়া উভতি যাব তেতিয়া আল্লাহৰ নৈকট্য লাভ কৰাৰ থৈলা পৰিপূৰ্ণ কৰি উভতি যাব পাৰে তথা আল্লাহ তা'লাৰ কৰুণা লাভ কৰি ইয়াৰ পৰা উভতি যাব পাৰে। আল্লাহ তা'লা সদায় আপোনালোকৰ জীৱনত আৰু আপোনালোকৰ প্ৰজন্মৰ মাজত যেন কৰুণা বৰ্ষণ কৰি থাকে, এজন সক্ৰিয় আহমদী অস্তিত্ব হৈ যেন পৃথিৱীত জীৱন-যাপন কৰিব পাৰে, আপোনালোকৰ বংশধৰেও এইদৰে পৱিত্ৰ অস্তিত্ব হৈ পৃথিৱীত যেন জীৱন-যাপন কৰিব পাৰে। আল্লাহ তা'লা কিয়ামতলৈকে এই জামাত জাৰি ৰাখক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে শেষত কৈছে যে যোৱা বছৰৰ নিচিনা এই বছৰো বিভন্ন বিভাগৰ নুমাইশ (প্ৰদৰ্শনী)ৰ ব্যৱস্থা কৰা হৈছে, এইটো হৈছে জ্ঞান বৃদ্ধিৰ মাধ্যম, মনোহৰ, সেইবোৰ দেখাৰ চেষ্টা কৰিব, এইদৰে বুকষ্টলত নতুন কিতাপ প্ৰকাশ পাইছে তাতেও নিশ্চয় যাব। বিৰতি সময়ত কেৱল বজাৰতে ক্ৰয়-বিক্ৰয়ৰ কামত ব্যস্ত নাথাকিব, বৰং এই আধ্যাত্মিক বস্তুৰ পৰাও উপকৃত হোৱাৰ চেষ্টা কৰিব। আল্লাহ তা'লা সকলোকে ইয়াৰ সৌভাগ্য দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB